সূৰ্য্য উদয় হোৱা দিনসমূহৰ মাজত উত্তম দিন হৈছে জুমুআৰ দিন।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "সূৰ্য্য উদয় হোৱা দিনসমূহৰ মাজত উত্তম দিন হৈছে জুমুআৰ দিন। জুমুআৰ দিনাই
আদমক সৃষ্টি কৰা হৈছে আৰু এই দিনাই তেওঁক জান্নাতত প্ৰৱেশ কৰোৱা হৈছিল, আৰু জুমুআৰ দিনাই তেওঁক তাৰ পৰা বহিষ্কাৰ কৰা হৈছে, আৰু জুমুআৰ দিনাই ক্বিয়ামত সংঘটিত হ'ব।"
[ছহীহ] [(মুছলিম)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, সূৰ্য্য উদয় হোৱা দিনসমূহৰ ভিতৰত সৰ্বোত্তম দিন হৈছে জুমুআৰ দিন। ইয়াৰ বৈশিষ্ট্য হৈছে যে, এই দিনটোতে আল্লাহে আদম আলাইহিচ্ছালামক সৃষ্টি কৰিছে, আৰু এই দিনটোতে তেওঁক জান্নাতত প্ৰৱেশ কৰাইছে, লগতে এই দিনটোতে তেওঁক তাৰ পৰা বহিষ্কাৰ কৰিছে আৰু পৃথিৱীত নমাই দিছে। এইদৰে জুমুআৰ দিনাই কিয়ামত সংঘটিত হ'ব।

https://sunnah.global/hadeeth/as/show/3711